অষ্টম অধ্যায়

# অৰ্থনৈতিক সংস্কাৰ, পৰিকল্পনা আৰু ভাৰতৰ অৰ্থনৈতিক উন্নয়ন
# (Economic Reforms, Planning and Economic Development in India)

**৮.১ ঃ অৰ্থনৈতিক সংস্কাৰ অৰ্থ (Meaning of Economic Reforms)** ঃ বৈদেশিক অৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে দেশ এখনে যেতিয়া নিজৰ গাঁথনিগত পৰিৱৰ্তন সাধন কৰি অৰ্থনৈতিক সামঞ্জস্যতা অনাৰ প্ৰচেষ্টা লয়, তেতিয়া সেই অৱস্থাটোক অৰ্থনৈতিক সংস্কাৰ বুলি কোৱা হয়। এই সংস্কাৰ ব্যৱস্থা এক গতিশীল ব্যৱস্থা। পৰিশোধিত ৰূপত অৰ্থনীতিখনে কিছুমান ব্যৱস্থা সাপেক্ষে যেতিয়া বিশ্ব অৰ্থনীতিৰ গতি-প্ৰকৃতিৰ সৈতে একে শাৰীত থিয় দিব পৰা হয় তাকেই আৰ্থিক সংস্কাৰ বোলে। পুৰণি চিন্তাধাৰাক বিসৰ্জন আৰু গতিশীল চিন্তাধাৰাক স্বাগতম জনাই বজাৰ আৰু প্ৰতিষ্ঠানসমূহৰ ধৰণ, উৎপাদনৰ সামাজিক সম্পৰ্ক স্থাপন, বিত্তীয় গাঁথনিৰ উন্নয়ন, ঔদ্যোগিক গাঁথনিৰ পৰিৱৰ্তন আদিৰে এক ৰূপান্তৰৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা প্ৰক্ৰিয়াক অৰ্থনৈতিক সংস্কাৰ বুলি ক'ব পাৰি। অৰ্থনৈতিক সংস্কাৰ বুলিলে দুটা প্ৰধান দিশৰ গুণগত পৰিৱৰ্তনৰ কথা আহি পৰে—

১। দেশ এখনত চৰকাৰে ব্যয়ৰ পৰিমাণ কমাই ৰাজস্ব ঘাটি কম কৰা (Decreasing fiscal deficit)।

২। বজাৰমুখী গাঁথনিৰ পৰিৱৰ্তন সাধন কৰি দক্ষতা (Efficiency), নমনীয়তা (Liquidity) আৰু প্ৰতিযোগিতা (Competition) বৃদ্ধি কৰা।

এই তিনিওটা পৰিৱৰ্তন সাধন কৰা ৰূপান্তৰিত অৰ্থ-ব্যৱস্থাকে সংস্কাৰকামী অৰ্থনীতি বা আৰ্থিক সংস্কাৰ বোলে।

**৮.২ ঃ ভাৰতবৰ্ষৰ অৰ্থনৈতিক সংস্কাৰ (Economic Reforms in India)** ঃ ভাৰতবৰ্ষয়ো সংস্কাৰকামী অৰ্থনীতিৰ পোষকতা কৰি আহিছে। এই সংস্কাৰ সাধন কাৰ্যসূচী লোৱাৰ গুৰিতে তিনিটা কাৰণ উল্লেখ কৰিব পাৰি—

(ক) ক্ৰমবৰ্ধমান বিত্তীয় ঘাটি (Increasing rate fiscal deficit)।

(খ) মুদ্ৰাস্ফীতিৰ বৰ্ধিত হাৰ (Increasing rate of Inflation)।

(গ) বৈদেশিক বাণিজ্যৰ ভাৰসাম্যহীনতা (Balance of payment dis-equilibrium)।

**৮.৩ ঃ ভাৰতৰ অৰ্থনৈতিক সংস্কাৰ (১ম পৰ্যায়) [Economic Reforms in India (Stage I)]** ঃ ভাৰতবৰ্ষত ১৯৮৫ চনত আৰ্থিক সংস্কাৰৰ প্ৰথম পৰ্যায় আৰম্ভ হৈছিল। সেই সময়ৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে সংস্কাৰ কাৰ্যসূচী গ্ৰহণৰ পৰিপ্ৰেক্ষিতত 'এক নতুন অৰ্থনৈতিক নীতি' (New Economic Policy) গ্ৰহণ কৰিছিল। এই নীতিৰ মূল লক্ষ্য আছিল—

(ক) উৎপাদনশীলতা বৃদ্ধি।

Scanned with CamScanner

(খ) আধুনিক প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ।
(গ) উৎপাদন ক্ষমতাৰ সম্পূৰ্ণ ব্যৱহাৰ।
(ঘ) বেচৰকাৰী খণ্ডক উৎসাহ প্ৰদান।
(ঙ) ঔদ্যোগিক, ৰাজস্ব আৰু আমদানি-ৰপ্তানি নীতিৰ পৰিবৰ্তন সাধন।
(চ) ব্যক্তিগত খণ্ডক প্ৰশাসনিক নিয়ন্ত্ৰণৰ পৰা মুক্ত।

**৮.৪ ঃ ভাৰত চৰকাৰৰ আৰ্থিক সংস্কাৰৰ (২য় পৰ্যায়) [Economic Reforms by the Govt. of India (Stage II)] ঃ** ১৯৯১ চনত ভাৰত চৰকাৰে ক্ৰমবৰ্ধমান বিত্তীয় ঘাটি হ্ৰাস কৰি আৰ্থিক স্বাবলম্বিতা অনাৰ উদ্দেশ্যে ২য় পৰ্যায়ৰ সংস্কাৰ নীতি ঘোষণা কৰিছিল। দ্বিতীয় পৰ্যায়ত গ্ৰহণ কৰা আৰ্থিক সংস্কাৰ নীতিৰ ব্যৱস্থাসমূহ আছিল এনে ধৰণৰ—

১। ৰাজস্ব নীতিৰ সংস্কাৰ সাধন কৰি ৰাজস্ব ঘাটিৰ পৰিমাণ লাঘৱ কৰা।
২। মূল্য নীতিৰ সংস্কাৰ সাধন।
৩। ৰাজহুৱা খণ্ডৰ উদ্যোগৰ উৎপাদিত সামগ্ৰীৰ বজাৰ নিয়ন্ত্ৰণ।
৪। ৰাজসাহায্য পৰিমাণ লাঘৱ।
৫। বৈদেশিক নীতিৰ সংস্কাৰ সাধনেৰে লেনদেনৰ ঘাটিৰ পৰিমাণ হ্ৰাস।
৬। ঔদ্যোগিক নীতিৰ সংস্কাৰ।
৭। বৈদেশিক বিনিয়োগৰ নীতিৰ সংস্কাৰ, বৈদেশিক বিনিয়োগৰ প্ৰবাহ বৃদ্ধি।
৮। ৰাজহুৱা খণ্ডৰ নীতিৰ সংস্কাৰ।
৯। বাণিজ্য নীতিৰ সংস্কাৰ সাধনৰ জৰিয়তে মুক্ত বাণিজ্যৰ সৃষ্টি।
১০। সামাজিক নীতিৰ সংস্কাৰ, দৰিদ্ৰতা দূৰীকৰণ আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ উন্নয়ন সাধন।

**৮.৫ ঃ ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰৰ পৰিধি (Scope of Economic Reforms in India) ঃ**

অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচী প্ৰকৃত পক্ষে ১৯৯১ চনৰ পৰাহে আৰম্ভণি হৈছিল। সেই সময়ত প্ৰধানমন্ত্ৰী আছিল নৰসিংহ ৰাও। দেশখনে সেই সময়ত ভয়ানক বাণিজ্যিক লেনদেনৰ ঘাটিৰ সন্মুখীন হৈছিল। বৈদেশিক মুদ্ৰা ভাণ্ডাৰ প্ৰায় নিঃশেষ হৈছিল। ঔদ্যোগিক উন্নয়ন ব্যাহত হৈছিল। প্ৰায় ১৭ শতাংশ মুদ্ৰাস্ফীতিৰে জৰ্জৰিত ভাৰতীয় অৰ্থনীতিৰ ওপৰত আন্তৰ্জাতিক বিশ্বাসৰ পতন ঘটিছিল।

এনে এক অৱস্থাক নিয়ন্ত্ৰণ কৰি দেশৰ অৰ্থনীতিক বিপৰ্যয়ৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ ব্যাপক আৰ্থিক সংস্কাৰৰ বাহিৰে গত্যন্তৰ নাছিল। ১৯৯১-৯২ চনৰ পৰা বিভিন্ন অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। এই সংস্কাৰমূলক কাৰ্য ব্যৱস্থাসমূহ হ'ল—

১। উদ্যোগসমূহৰ প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধিৰ কাৰণে ব্যাপক ঔদ্যোগিক সংস্কাৰ আৰু নতুন ঔদ্যোগিক নীতি গ্ৰহণ।
২। ৰপ্তানি বাণিজ্য বৃদ্ধি কৰাৰ বাবে আৰু বাণিজ্যক লেনদেনৰ ঘাটি পূৰণৰ অৰ্থে বাণিজ্যিক সংস্কাৰ সাধন।
৩। ঔদ্যোগিক গোট (Industrial Unit) সমূহৰ জীৱন ক্ষমতা বৃদ্ধি, কাৰ্যাৱলীৰ উন্নতি বৃদ্ধি আদিৰ কাৰণে ৰাজহুৱা খণ্ডৰ নীতিৰ সংস্কাৰ সাধন।

Scanned with CamScanner

৪। অৰ্থনৈতিক স্থিৰতা ৰক্ষাৰ কাৰণে ৰাজস্ব নীতি (Fiscal Policy) ৰ ব্যাপক সংস্কাৰ।

এই সংস্কাৰমূলক নীতিৰ ফলস্বৰূপে সেই সময়ত লেনদেনৰ স্বাভাৱিক অৱস্থা, মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ আৰু ঔদ্যোগিক উৎপাদনৰ হাৰ বৃদ্ধি হৈছিল।

অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচীৰ ব্যাপক পৰিধি অনুভূত হয় ক্ৰমে ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনৰ বাৰ্ষিক বাজেটত। এই তিনিওটা বাজেট বছৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ হ'ল—

১। ১৯৯২-৯৭ চনৰ নতুন ৰপ্তানি-আমদানি নীতি।

২। কৰ পদ্ধতিৰ সংস্কাৰ নীতি প্ৰণয়ন।

৩। স্থিতিশীল ৰাজস্ব নীতিক বাহাল ৰখা।

৪। ৰাজহুৱা খণ্ডৰ নিৰ্বিনোয়োজন (Disinvestment)।

৫। টকাৰ সম্পূৰ্ণ ৰূপান্তৰযোগ্যতা (১৯৯৩-৯৪) অৰ্জন।

৬। চলিত হিচাপত (Current value) টকাৰ সম্পূৰ্ণ ৰূপান্তৰযোগ্যতা অৰ্জন (১৯৯৪-৯৫) ৰ ব্যৱস্থা গ্ৰহণ।

এই সকলোবোৰ সংস্কাৰমূলক কাৰ্যসূচী দুটা বৃহৎ বিষয়ৰ ওপৰত নিৰ্ভৰ কৰিছিল। সেই বিষয় দুটা হ'ল—

(ক) ৰাজস্ব শৃংখলা (Fiscal Discipline) ৰক্ষা।

(খ) গাঁথনিগত সংস্কাৰ (Sructural Reofrm)।

১৯৯১ চনত আৰম্ভ হোৱা আৰ্থিক সংস্কাৰ কাৰ্যসূচী বৰ্তমানলৈ চলাই আছে। এই সংস্কাৰ সাধনৰ বাবে চৰকাৰে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯৫০ চনৰ পৰা ১৯৯০ চনলৈ প্ৰায় ৪০ বছৰ ভাৰতীয় অৰ্থনীতি ৰাজহুৱা খণ্ডই পৰিচালনা কৰিছিল। ১৯৯১ চনৰ পৰা ৰাজহুৱা খণ্ডৰ পৰিবৰ্তে উদাৰীকৰণ (Liberalisation), ব্যক্তিগতকৰণ (Privatisation) আৰু গোলকীকৰণে (Globalisaiton) অধিক প্ৰাধান্য বিস্তাৰ কৰিব ধৰিলে। এই পৰিবৰ্তন তেনেই তাৎপৰ্যপূৰ্ণ।

**৮.৬ ঃ অৰ্থনৈতিক সংস্কাৰৰ প্ৰধান ক্ষেত্ৰবোৰ (Main Areas of Economic Reform) ঃ** ১৯৯১ চনৰ পৰা বৰ্তমানলৈ গ্ৰহণ কৰা অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচীৰ প্ৰধান ক্ষেত্ৰবোৰ এনে ধৰণৰ—

**(ক) ৰাজস্ব সংস্কাৰ (Fiscal Reforms) ঃ** কৰৰ গাঁথনি আৰু ব্যয় সাধন প্ৰক্ৰিয়াৰ অসুবিধা দূৰ কৰি ৰাজস্ব ঘাটি কম কৰাৰ আঁচনি লোৱাকে ৰাজস্ব সংস্কাৰ বোলে। এই আঁচনি বা ব্যৱস্থাসমূহ হ'ল—

১। সৰলীকৰণ প্ৰক্ৰিয়াৰে আয়কৰ ব্যৱস্থাৰ সংশোধনী ঘটোৱাই ৪০ শতাংশৰ পৰা ৩০ শতাংশলৈ কৰ পৰিশোধৰ ব্যৱস্থা।

২। আন্তঃগাঁথনিৰ বিনিয়োগৰ ক্ষেত্ৰত পাঁচ বছৰলৈ কৰ বিৰতি (Tax holidays) ৰ ব্যৱস্থা গ্ৰহণ।

৩। সকলো উৎপাদনশীল সম্পত্তি কৰৰ ওপৰত আৰোপ কৰা কৰ বেহাই; যাতে বিত্তীয় সম্পত্তি বৃদ্ধিত উৎসাহ জন্মে।

৪। পৰোক্ষ কৰৰ হাৰ হ্ৰাসকৰণ। আমদানিকৃত সামগ্ৰীৰ আবকাৰী শুল্ক হ্ৰাস।

৫। Excise duty আৰু Excise Tax ৰ হাৰ হ্ৰাস।

৬। নিৰ্মাণ খণ্ডৰ আবকাৰী কৰ প্ৰথাৰ বিলুপ্তকৰণ আৰু মূল্য সংযোজন কৰ (VAlue Addex Tax) ব্যৱস্থাৰ প্ৰবৰ্তন।

৭। বিত্তীয় শৃংখলা আৰু বাজেট পৰিচালনাৰ আইন (FRBM, 2004) প্ৰণয়নৰ যোগেদি ৰাজহ আৰু ৰাজস্ব ঘাটি (Revenus and Fiscal Deficit) মুঠ ঘৰুৱা উৎপাদনৰ ৩ শতাংশলৈ হ্ৰাস। ৰাজ্য পৰ্যায়ৰ বিক্ৰী কৰ মূল্য সংযোজন কৰলৈ ৰূপান্তৰ।

Scanned with CamScanner

**(খ) বিত্তীয় খণ্ডৰ সংস্কাৰ (Financial Sector Reforms) :** বিত্তীয় খণ্ডৰ সংস্কাৰ সাধন বুলিলে মুদ্ৰা নীতিৰ সংস্কাৰ সাধনক বুজোৱা হয়। এই মুদ্ৰানীতিৰ সংস্কাৰবোৰ হ'ল—

১। ১৯৯৭-৯৮ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ এড্‌হক ট্ৰেজাৰী বিল (Adhoc Treasury Bill) বাট্টাকৰণ।

২। বেংকবিলাকক ধাৰে লোৱা হাৰৰ পৰিমাণৰ ধাৰাবাহিকতা নোহোৱা কৰা (Deregulation of lending rate by the Bank)। বেংকসমূহক মুখ্য ধাৰক হাৰ (Prime lending rate) নিৰ্ধাৰণৰ স্বাধীনতা প্ৰদান।

৩। সতৰ্কতামূলক তৰলতাৰ হাৰ (Statutory liquidity ratio) ১৯৯১-৯২ চনৰ ৩৮.৫ শতাংশৰ পৰা ২৫ শতাংশলৈ হ্ৰাস।

৪। বিদেশী বেংকসমূহে আমাৰ দেশত আৰু দেশীয় বেংকসমূহে বিদেশত মূলধনৰ দায়িত্বভাৰ সম্বন্ধত সম্পত্তিৰ অনুপাত (Capital to Risk Weighted Asset Ratio : CRAR) ২০০৩ চনত ৯ শতাংশলৈ বৃদ্ধি।

৫। বেংকসমূহৰ আগধন (Advance) ৰ বাবদ দিব লগা সুদৰ হাৰ ১৯৮৯-৯০ চনৰ ২০ শতাংশৰ পৰা ১৯৯৪-৯৫ চনত ২ শতাংশলৈ হ্ৰাস।

৬। পুৰণি ঋণ পুনৰুদ্ধাৰৰ কাৰণে বিশেষ "Recovery Tribunal, 1993" গঠন।

৭। সকলো বেংকৰ "Non Peforming Asset" ৰ শুদ্ধ মূল্য ২০০০ চনৰ পৰা ৫ শতাংশৰ কম।

৮। বেংকসমূহক Asset Libility Management (ALM) আৰু Risk Management ৰ Guidline প্ৰদান।

৯। বীমা খণ্ডক নিয়ন্ত্ৰণ কৰিবলৈ আৰু ব্যক্তিগত খণ্ডৰ বীমা কোম্পানীক উৎসাহিত কৰিবলৈ Insurance Regularity and Development Authority (IRDA) স্থাপন।

**(গ) বাণিজ্য নীতিৰ সংস্কাৰ (Trade Policy Reforms) :** সংস্কাৰ কাৰ্যসূচীৰ আগতে আমদানি বাণিজ্য আৰু ৰপ্তানিৰ ক্ষেত্ৰত কঠোৰ বাণিজ্যিক বাধা-বাধকতাৰ নীতি মানি চলা হৈছিল। সংস্কাৰ কাৰ্যসূচী গ্ৰহণৰ পিছত মুক্ত অৰ্থনীতিৰ সূচনা হৈ আমাৰ দেশত চকুত লগা ধৰণে বৈদেশিক বাণিজ্যৰ মুক্ত বিচৰণ সম্ভৱ হৈ উঠিল। এই বাণিজ্যিক সংস্কাৰৰ দিশবোৰ হ'ল—

১। ১৯৯১ চনত ভাৰতীয় মুদ্ৰাৰ অৱমূল্যায়ন আৰু বিদেশী ঔদ্যোগিক ৰাষ্ট্ৰৰ মুদ্ৰাৰ তুলনাত দেশীয় মুদ্ৰাৰ মূল্য হ্ৰাস।

২। চলিত আমানতত সম্পূৰ্ণ মুদ্ৰাৰ হস্তান্তৰযোগ্যতাৰ নীতি ১৯৯৪ চনত গ্ৰহণ আৰু মূলধনী আমানতত আংশিক হস্তান্তৰযোগ্যতাৰ নীতি গ্ৰহণ।

৩। নতুন আমদানি অনুজ্ঞাপত্ৰ বিশেষকৈ মূলধনী সামগ্ৰীৰ অনুজ্ঞাপত্ৰ বাতিলকৰণ। নতুন উদাৰীকৃত বিনিময় হাৰ পৰিচালনাৰ নীতি, ১৯৯২ (New Liberalised Exchange Rate Management System) গ্ৰহণ।

৪। শুল্ক, মাচুল আদিৰ ক্ষেত্ৰত সুমিতকৰণ (Rationalisation) ব্যৱস্থা গ্ৰহণ।

৫। ৰপ্তানি বৃদ্ধি গোট (Export Orientation Unit) স্থাপনৰ জৰিয়তে কৃষি আৰু কৃষিৰ লগত জড়িত সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিৰ ব্যৱস্থা।

৬। উন্নত ৰাষ্ট্ৰৰ কাৰিকৰী কৌশল আদান-প্ৰদানৰ বাবে বাণিজ্যিক চুক্তি আৰু বৈদেশিক বাণিজ্যৰ পৰিসৰ বৃদ্ধিৰ চেষ্টা গ্ৰহণ।

Scanned with CamScanner

৭। প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ মাধ্যমত (Through Foreign Direct Investment, FDI) আইনৰ সংশোধন কৰি ফেমা (Foreign Exchange Maintenance Act) আইনৰ প্ৰৱৰ্তন।

**(ঘ) মূলধনী বজাৰৰ সংস্কাৰ (Capital Market Reforms) :** অৰ্থনৈতিক সংস্কাৰৰ অন্তৰ্ভুক্ত মূলধনী বজাৰৰ সংস্কাৰ কাৰ্যসূচীবোৰ হ'ল—

১। মূলধনী বজাৰখন সতৰ্কীকৰণৰ মাধ্যমত নিয়ন্ত্ৰণ কৰাৰ কাৰণে ১৯৯২ চনত প্ৰতিভূতি বিনিময় বোৰ্ড (Security and Stock Exchange Board of India, SEBI) স্থাপন।

২। পৰিবেশৰ প্ৰতি সচেতন হোৱা উৎপাদনী গোটৰ বাহিৰে সকলো উৎপাদনী গোটলৈ ঔদ্যোগিক অনুজ্ঞাপত্ৰ বাতিল।

৩। M.R.T.P. আইন (Monopoly and Restrictive Trade Practice) বাতিল কৰি তাৰ ঠাই Competition Act, 2002 প্ৰণয়ন।

৪। সেৱা খণ্ড (Service Sector) ৰ বাহিৰে সকলো খণ্ডতে প্ৰত্যক্ষ বিনিয়োগৰ (Foreign Direct Investment) অনুমোদন।

৫। কুটীৰ শিল্পৰ প্ৰসাৰৰ বাবে গ্ৰাম্যাঞ্চলৰ ৫০ শতাংশ সংৰক্ষণ। Integrated Infrastructure Development Scheme ৰ অধীনত গ্ৰাম্য আৰু কুটীৰ শিল্পৰ দেশজুৰি উন্নয়ন সাধন।

সামগ্ৰিকভাৱে এইবোৰেই হ'ল ভাৰতবৰ্ষৰ সংস্কাৰ অৰ্থনৈতিক কাৰ্যসূচীৰ খণ্ডভিত্তিক ব্যৱস্থাৱলী।

## ৮.৭ : সংস্কাৰ কাৰ্যসূচীৰ মূল্যায়ন (Evaluation of Economic Reforms in India) :

ভাৰতবৰ্ষত প্ৰৱৰ্তন হোৱা অৰ্থনৈতিক সংস্কাৰৰ মূল্যায়ন বা সমালোচনাত্মক সমীক্ষা আমি তলত দিয়া ধৰণে আগবঢ়াব পাৰো—

অৰ্থনৈতিক হাৰে দেশত চলি থকা মুদ্ৰাস্ফীতিৰ হাৰ ৰোধ কৰিবলৈ সক্ষম হোৱা নাই। অৱশ্যে এই হাৰ কিছু পৰিমাণে হ্ৰাস হৈছে। ১৯৯১-৯২ চনত মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১৩.০ শতাংশ। ১৯৯৩ চনত ই ৬.৫ শতাংশলৈ হ্ৰাস পায়। ১৯৯৩-৯৪ চনত এই হাৰ বৃদ্ধি পাই ৮.৪ শতাংশ হয়। ২০০৬ চনত এই পৰিমাণ হ্ৰাস হৈ ৫ শতাংশ হয় যদিও ২০১১ চনত ই পুনৰ ৭ শতাংশলৈ বৃদ্ধি পায়। আনহাতে দশম পৰিকল্পনাত (২০০২-০৭) প্ৰগতিৰ হাৰ বৃদ্ধি হৈ ৭.২ শতাংশ হয়।

এই প্ৰগতিৰ হাৰ আটাইবোৰ পৰিকল্পনাৰ ভিতৰতে আছিল সৰ্বাধিক। একাদশ পৰিকল্পনাত এই হাৰ ৯ শতাংশ নিৰ্ধাৰণ কৰা হৈছে। পূৰ্বৰ ১.৫ শতাংশ জনমূৰি আয় বৃদ্ধি বিপৰীতে সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ পিছত নব্বৈৰ দশকত জনমূৰি আয় ৬.৪ শতাংশ বৃদ্ধি পাইছে। সঞ্চয় আৰু বিনিয়োগৰ হাৰ ২২ শতাংশৰ পৰা ২০০২ চনত ৩০ শতাংশলৈ বৃদ্ধি পাইছে। ২০০০ চনত ১৯ শতাংশ দৰিদ্ৰ লোকৰ পৰিমাণ হ্ৰাস হৈছে।

অৱশ্যে ৰাজসাহায্য কৰ্তনৰ ক্ষেত্ৰত লাভ কৰা সাফল্য ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত ব্যৰ্থ হোৱা দেখা গৈছিল।

বাজেটৰ ৰাজস্ব ঘাটি সংস্কাৰ কাৰ্যসূচীয়ে সুচাৰু ৰূপে নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছিল। মুঠ জাতীয় উৎপাদনত (GDP) ৰাজস্ব ঘাটি (Fiscal deficit) ১৯৯১-১৯৯৯২ চনত ৫ শতাংশ হৈছিল। অৱশ্যে ১৯৯০-৯১ চনত ই আছিল ৮.৪ শতাংশ। ১৯৯২-৯৩ চনত হয় ৫.২৫ শতাংশ। ২০০১-০২ চনত আছিল ৬.২ শতাংশ। ২০০৬-০৭ চনত ই হয়গৈ ৪ শতাংশ।

অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচীয়ে ব্যাপক হাৰত শ্ৰমিক চাটাই কৰি নিবনুৱা সমস্যা বৃদ্ধি কৰি তুলিলে। ৰাজহুৱা আৰু

Scanned with CamScanner

ব্যক্তিগত উদ্যোগৰ সংস্কাৰ সাধন কৰি মুক্ত বজাৰ অৰ্থনীতিক আঁকোৱালি লোৱাৰ ফলতেই এইটো অৱস্থা হোৱা বুলি ক'ব পাৰি।

বহুত সময়ত বিভিন্ন সমালোচনাকে মত প্ৰকাশ কৰে যে অৰ্থনৈকিক সংস্কাৰ কাৰ্যসূচী IMF আৰু World Bank ৰ নিৰ্দেশত কৰা হৈছে। দেশৰ সংহতি আৰু সাৰ্বভৌমত্বৰ ক্ষেত্ৰত ই অনভিপ্ৰেত বুলিও কোৱা যায়।

ভাৰতবৰ্ষৰ অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচী বহু পৰিমাণে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। প্ৰশাসনীয় ব্যৰ্থতা, ৰাজনৈতিক হস্তক্ষেপ, আমোলাতান্ত্ৰিক ব্যৱস্থাৰ অসহযোগিতা আদিয়ে সংস্কাৰ কাৰ্যসূচীৰ লাভ (Benefit) জনসাধাৰণক আশা কৰা ধৰণে দিব পৰা নাই।

সংস্কাৰ কাৰ্যসূচীৰ ফলত বেংক, ব্যক্তিগত বিত্তীয় প্ৰতিষ্ঠান, Corporate Sector আদিৰ পৰিমাণ যথেষ্ট বৃদ্ধি হৈছে। আমদানি-ৰপ্তানিযোগ্য সামগ্ৰীৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি হৈছে। ১৯৮৫ চনত ৰপ্তানি-আমদানিৰ মুঠ ঘৰুৱা উৎপাদন আছিল ৬ শতাংশ। ২০০৪ চনত এই পৰিমাণ বাঢ়ি ২৪ শতাংশ হয়। প্ৰত্যক্ষ বিনিয়োগৰ হাৰো ১৯৯০ চনৰ ১ শতাংশৰ তুলনাত বৰ্তমান মুঠ ঘৰুৱা উৎপাদত ২ শতাংশ বৃদ্ধি হৈছে। মুক্ত আৰু সংস্কাৰমুখী অৰ্থনৈতিক নীতিয়ে তথ্য প্ৰযুক্তিৰ বিকাশৰ হাৰ ত্বৰান্বিত কৰিছে।

গতিকে দেখা যায় যে অৰ্থনৈতিক সংস্কাৰ প্ৰক্ৰিয়াই ভাৰতীয় অৰ্থনীতিত এক নতুন গতি আনি দিবলৈ সক্ষম হৈছে। বিশেষকৈ সেৱা খণ্ড (Service Sector) আৰু প্ৰযুক্তি কৌশলত (Technology) যথেষ্ট উন্নয়ন সাধন হৈছে। কিন্তু কৰণীয় আৰু বহুতো আছে। উৎপাদন, গাঁথনি, শ্ৰমিক আৰু বিত্ত বজাৰৰ উন্নয়ন, আঞ্চলিক অসমতা হ্ৰাস আদিৰ ক্ষেত্ৰত বহুতো কাৰ্য সম্পাদন আৰু উন্নয়ন সাধন কৰিব লগা আছে। কৃষি, বাণিজ্য, ঔদ্যোগিক উন্নয়ন, আন্তঃগাঁথনি নিৰ্মাণ, নিয়োগৰ বিস্তাৰ সাধন আদিকো সংস্কাৰমুখী আঁচনিৰে পৰিবেষ্টিত কৰিব পাৰিলে অদূৰ ভৱিষ্যতে সংস্কাৰ কাৰ্যসূচী ভাৰতীয় অৰ্থনীতিৰ বাবে এক ৰূপান্তৰৰ সপোনত পৰিণত হ'ব।

Scanned with CamScanner